# কিশলয়

ৰাতেৰ আগে (বিশেষ সংখ্যা, ২০ জুন ২০২২)

ত্রয়োদশ সংখ্যা




সম্পাদক

দীপশিখা শইকীয়া।

# কিশলয়

হাতেলিখা আলোচনী

'ৰাভাৰ আভা' - ত্ৰয়োদশ সংখ্যা, ২০২২ বৰ্ষ

## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক : শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।

উপদেষ্টামণ্ডলী : ড° বিভা দত্ত নেওগ।
: ড° বুদ্ধেশ্বৰ কোঁচ।
: শ্ৰীযুক্তা অনুৰূপা চুতীয়া।

সম্পাদক : শ্ৰীমতী দীপশিখা শইকীয়া।

বেটুপাত : শ্ৰী প্ৰশান্ত ভূঞা।

অক্ষৰবিন্যাস : শ্ৰীমতী দীপশিখা শইকীয়া।
: শ্ৰীমতী ঊৰ্মিলা গগৈ।
: শ্ৰীমতী নিলাক্ষী দত্ত।
: শ্ৰী পূৰ্বজ্যোতি চমুৱা।

অংগসজ্জা : শ্ৰী শচিন্দ্ৰ কোঁচ।
: শ্ৰী বেদান্ত গগৈ।

প্ৰকাশন হওক
20-6-2022

সদস্য / সদস্যা : পূৰ্ণিমা বুঢ়াগোঁহাই ।
: হিমাৰাণী বৈশ্য ।
: দেৱজিত দিহিঙীয়া ।
: দাইনা পেগু ।
: লক্ষ্মীপ্ৰিয়া দত্ত ।
: কৃষ্ণ বুঢ়াগোঁহাই ।
: পাপৰি বৰা ।
: দীপালি দলে ।

# সম্পাদকীয় একলম...

"সাহিত্য হৈছে এটা জাতিৰ দাপোনস্বৰূপ।"

সাহিত্য অবিহনে সমাজ-সংস্কৃতি পৰিপূৰ্ণতাৰ দিশে ধাৱমান হ'ব নোৱাৰে। সাহিত্যত প্ৰকাশিত হয় এখন সমাজত চলি থকা বিভিন্ন ঘটনা-পৰিঘটনাৰ সামগ্ৰিক ৰূপ। সাহিত্যই যিদৰে এটা জাতিক জীৱন্ত ৰূপ প্ৰদান কৰে, ঠিক তেনেদৰে এখন আলোচনীয়েও এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিহিত হৈ থকা জীৱন্ত ৰূপ প্ৰদান কৰে। আমি সকলোৱে জানো যে আলোচনী এখনে আমাক বৌদ্ধিক, নৈতিক, মানসিকভাৱে সবল কৰি তুলিব পাৰে। আলোচনী এখনৰ যোগেদি আমি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সুপ্ত প্ৰতিভা লেখন প্ৰণালীৰে প্ৰকাশ কৰিব পাৰোঁ।

প্ৰত্যেকটো বিষয়ৰে দুটা দিশ থাকে। এটা ঋণাত্মক আৰু এটা যোগাত্মক। মই ভাবোঁ আমাৰ মহাবিদ্যালয় মন বা আমাৰ সমাজমনৰ প্ৰতি এক যোগাত্মক বাৰ্তা প্ৰেৰণ কৰিবলৈ এখন আলোচনীৰ অতিকৈ প্ৰয়োজন। সাহিত্য চেতনাৰ দিশটো ক্ষিপ্ৰগতিত উত্তৰণ ঘটিব বুলি আশা ৰাখিয়েই বৈখাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ২০১৩ চনত শ্ৰী-অংকৰপ্ৰসাদ বৰুৱাৰ সম্পাদনাত "কিশলয়" নামেৰে এখন হাতে লিখা আলোচনী অনুৰূপা তৃতীয়া বাইদেউৰ তত্ত্বাৱধানত পোনপ্ৰথমবাৰৰ বাবে প্ৰকাশিত কৰিলে। শিক্ষক দিৱস উপলক্ষে প্ৰকাশ কৰি-উলিওৱা এই আলোচনীখনত প্ৰকাশিত হ'ল অসমীয়া বিভাগৰ লগতে বৈখাজি মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন লেখা। ২০১৩ চনৰ পৰা

বৰ্তমানলৈকে কিশলয়ৰ ২৩ টা সংখ্যা প্ৰকাশ হৈছে। প্ৰথমপ্ৰথমে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি "কিশলয়" প্ৰকাশ কৰা হৈছিল। কিন্তু কৰুণা মহামাৰীয়ে জটিল ৰূপ ধাৰণ কৰাৰ বাবে এই ধাৰা অক্ষুন্ন ৰাখিব পৰা নগ'ল। বৰ্তমান বিভিন্নজন মহান মনিষীৰ জন্মদিৱস অথবা মৃত্যুদিৱসত এই হাতেলিখা আলোচনীখন প্ৰকাশৰ দিহা কৰা হৈছে। পূৰ্বতে যদিও বছৰত এটা সংখ্যাহে প্ৰকাশ কৰা হৈছিল, বৰ্তমান এটা বছৰত দুটা বা তিনিটা সংখ্যা প্ৰকাশ কৰা হয়। "কিশলয়" হৈছে বিভাগটি মহাবিদ্যালয়ৰ একমাত্ৰ হাতেলিখা আলোচনী। "কিশলয়"ৰ অৰ্থ হৈছে - কুঁহিপাত।

"কিশলয়" - অসমীয়া বিভাগৰ আবেগ। কুঁহিপাত মিলা যিদৰে দেখায় নতুন ঠিক তেনেদৰে কিশলয় মনকো আমি দেখায় এক নতুন ৰূপ দিবলৈ চেষ্টা কৰোঁ। 'ৰঙালী' দিৱসৰ লগত সংগতি ৰাখি 'ৰঙালীৰ আড্ডা' নামেৰে "কিশলয়"ৰ এটা সংখ্যা ইতিমধ্যে প্ৰকাশ হৈছে। "কিশলয়"ৰ 'ৰঙালীৰ আড্ডা'ৰ দ্বিতীয় সংখ্যাটি প্ৰকাশ কৰিবলৈ মোক সম্পাদকৰ দায়িত্ব দিয়া হ'ল। আমাৰ বিভাগৰ অংশকালীন অধ্যাপিকা দেৱজ্যোতি শইকীয়া সোনোৱাল বাইদেউৰ তত্ত্বাৱধানত এই হাতে লিখা আলোচনীখনক পূৰ্ণাংগ ৰূপ দিবলৈ চেষ্টা কৰিছোঁ। মোক প্ৰতিটো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা ড° বুদ্ধেশ্বৰ কোঁচ ছাৰ, ড° বিভা দত্ত নেওগ বাইদেউ, অনুৰূপা ডুৱৰা বাইদেউকে প্ৰমুখ্যে কৰি বিভাগৰ অগ্ৰজ, অনুজ তথা মোৰ সতীৰ্থবৃন্দক এই সুযোগতে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌশেষত, অসমীয়া বিভাগৰ এই প্ৰচেষ্টা অক্ষুন্ন থাকক। "কিশলয়" দীৰ্ঘায়ু হওক। আলোচনীখন প্ৰকাশ কৰোঁতে অনেকখিনি ভুল-ভ্ৰান্তি হ'ব পাৰে তাৰ বাবে আপোনাসকলৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। শ্ৰদ্ধাৰে আপোনাসকলৰ হাতত "কিশলয়"ৰ বাভাৰ আভাৰ এই সংখ্যাটি ... ।

দীপশিখা শইকীয়া 20-05-22
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ।
(ৰূপৰাজ হাটৈ)

# সূচীপত্র


সম্পাদকীয় একলম ....

প্ৰবন্ধ শিতান :

আমাৰ দৃষ্টিত বিষ্ণুৰাভা – পূৰ্ণিমা বুঢ়াগোঁহাই ... পৃঃ ১–৩

ৰাভাৰ আভা – দীপশিখা শইকীয়া ... পৃঃ ৪–৭

বিশ্বৰ কুৎসিত মহিলাগৰাকী – ৰাজশ্ৰী সোনোৱাল ... পৃঃ ৮–১০

অনুভৱৰ স্বৰ :

চাহেবপুৰাৰ বৰঘুনৰ অনুভৱে – পূৰ্বজ্যোতি চামুৱা ... পৃঃ ১১–১৩

গল্পশিতান :

দুচকুত এটি সজল সপোন – হেনৰি ব্ৰুকন ... পৃঃ ১৪–১৬

চকুলো – ৰাখী গোঁহাই ... পৃঃ ২১

কবিতা শিতান :

তোমাৰ আগমন – তৃষ্ণা বৰুৱা ... পৃঃ ১৭

অনুভৱে – কৃষ্ণ বৰগোঁহাই ... পৃঃ ১৮

জীৱনৰ অৰ্থ বিচাৰি – হিমাশ্ৰী ভূঞা ... পৃঃ ১৯

সোণপোৱাৰ অনুভূতি – দেৱজিত ঘিহিঙীয়া ... পৃঃ ২০

নীৰৱতা – বেদান্ত গগৈ ... পৃঃ ২২

স্বপ্ন – গৰিমা বুঢ়াগোঁহাই ... পৃঃ ২৩

গীতৰ ঠিকনা বিচাৰি – শচীন্দ্ৰ কোঁচ ... পৃঃ ২৪

কৌতুক – লক্ষীপ্ৰিয়া দত্ত ... পৃঃ ২৫

মহৎ লোকৰ বাণী – শিমাৰাণী বৈশ্য ... পৃঃ ২৬

# আমাৰ দৃষ্টিত বিষ্ণুৰাভা

বিষ্ণুপ্ৰসাদ ৰাভা আছিল জনতাৰ প্ৰেমিক, জনতাৰ শিল্পী। এটা আঢ্যৱন্ত পৰিয়ালৰ লোক হৈয়ো তেওঁ সাধাৰণ লোক এজনৰ দৰে সাংস্কৃতিক মন এটি লৈ আজীৱন গাঁৱে-গাঁৱে, পাহাৰে-ভৈয়ামে, ৰ'দে-বৰষুণে ঘূৰি ঘূৰিছিল। ৰাভাই দ্বৈত জীৱন-যাপন কৰিছিল, শিল্পী আৰু বিপ্লৱী হিচাপে। সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত শংকৰদেৱৰ অৱদান বিষ্ণুৰাভাই স্বীকাৰ কৰিছিল। তেওঁৰ মহান প্ৰয়াস আছিল জাতিভেদ, বৰ্ণভেদ সাম্প্ৰদায়িকতাৰ ঊৰ্দ্ধত এক মহান অসমীয়া সংস্কৃতি গঢ়ি তোলা। সমাজৰ জাতিভেদ; বৰ্ণভেদৰ বিষাক্ত বীজাণুৰ কথা তেওঁ মৰ্মে মৰ্মে অনুভৱ কৰিছিল। ৰাভাই তেওঁৰ সমগ্ৰ জীৱনটো ৰাইজৰ স্বাৰ্থত উৎসৰ্গা কৰিছিল। বিষ্ণু-ৰাভা প্ৰকৃতাৰ্থত এজন বিপ্লৱী আছিল। মানৱপ্ৰেম আছিল তেওঁৰ এক বিশেষ গুণ। তেনেতে এখন সুন্দৰ শোষণহীন সমাজ গঢ়ি তুলিবৰ কাৰণে নিজৰ জীৱন আহুতি দিবলৈও সাজু আছিল।

বিষ্ণুৰাভাই কৈছিল — 'মই নিজেই এজন জনজাতি হৈয়ো নিজকে এজন শ্ৰেষ্ঠ অসমীয়া বুলি ভাবোঁ।' কিন্তু বৰ্তমান সময়ত ৰাজনীতিৰ মেৰপাকত পৰি মিলনভীয়া অসমীয়া জনজাতি এচাম লোকে নিজকে অসমীয়া বুলি কব নোখোজাৰ অন্তৰালত অসমীয়া জাতিটো ম্লানবান হৈ যোৱাৰ উপক্ৰম হৈছে। অত আমি প্ৰত্যেকজন অসমীয়াই হৃদয়ংগম কৰা উচিত। ৰাভাই বিদেশী বহিষ্কাৰ আন্দোলনটো আগভাগ লৈছিল। যাৰ ফলস্বৰূপে

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰত স্বাধীন হ'ল। দেশ স্বাধীন হ'ল যেতিয়া সকলোৰে মনত আনন্দৰ ঢৌ উঠিল। কিন্তু বিষ্ণুৰাভাৰ মনত বিষাদৰ ছাঁই-আবৃত হ'বলৈ ধৰিলে। দেশ স্বাধীন হোৱাৰ পাছত জাতীয় ঘৰসমূহত স্থূল ভৌতিক শোষণহীন সমাজৰ নতুন জীৱনে ঠন ধৰি উঠিল। ৰাভাই সমাজৰ ধনী-দুখীয়াৰ প্ৰভেদ নাইকিয়া কৰিবলৈ দৃঢ় সংকল্প ল'লে। সমাজত ধনী শ্ৰেণীৰ উৎপীড়নক ঘৃণা কৰি বিপ্লৱী মন ধনী শ্ৰেণীৰ বিৰুদ্ধে জাগি উঠিল।

ৰাভাৰ জীৱিত কালত তেওঁক আঁকোৱালি ল'ব নোৱাৰিলো আমি কিয়? আজি দেশৰ চাৰিওফালে ৰাভা দিৱস পতাৰ উজান উঠা দেখা যায়। ঘৰে ঘৰে দেখা যায় ৰাভাৰ ফটো। কিন্তু ৰাভাৰ কৰ্মপন্থাৰ পৰা আঁতৰি বৰ্তমান সময়ত ৰাভা দিৱস আজি ঘোষণলৈ পৰিৱৰ্তন কৰিছে। দুখৰ বিষয় যে জীৱিত কালত অসম সাহিত্য সভায়ো ৰাভাক সন্মান জনোৱা দেখা নগ'ল। ১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়তে দেশদ্ৰোহী কমিউনিষ্ট বুলিয়েই নেকি গুৱাহাটী অনাতাঁৰ কেন্দ্ৰয়ো সেই সময়ত ৰাভাৰ গীতৰ কথা কোনো লেখা প্ৰকাশ কৰা নাছিল। বাদেই তেখেতে লিখা জ্যোতিপ্ৰসাদ আগৰৱালাৰ আলেখ্য এমনো আকাশবাণীত প্ৰচাৰ নকৰিলে বুলি মনৰ আক্ষেপ তেখেতে ব্যক্ত কৰিছিল। ৰাভা দিৱসটো আগতে মুষ্টিমেয় ৰাইজৰ মাজতহে পালন কৰা হৈছিল। কিন্তু অসম আন্দোলনৰ পৰাই অসম ব্যাপি এই দিৱস উদ্‌যাপিত হ'বলৈ ধৰিলে। স্বীকাৰ কৰিবই লাগিব শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদৰ

সৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱেও স্বীকৃতি - নাপালে। স্বীকৃতি অৱস্থাত অসমীয়া ৰাইজে তেওঁৰ প্ৰতিভাক মৰ্যাদা দিছিলে।

আমো ২০ জুনৰ দিনা ৰাভাৰ ছবিসমূহত এগছি বন্তি জ্বলাই দুটিমান ৰাভাগীত গালেই শিল্পীজনৰ প্ৰতি আমাৰ দায়িত্ব শেষ হৈ নাযায়। বৰ্তমান সমাজৰ যুৱপ্ৰজন্মৰ আগত ৰাভাৰ ত্যাগ, আদৰ্শ, তেওঁৰ সৃষ্টিক দাঙি ধৰাৰ দায়িত্ব আমাৰ সকলো -ৰে। যাতে বৰ্তমান প্ৰজন্ম তেওঁৰ প্ৰেৰণাত অনুপ্ৰাণিত হৈ দেশৰ উন্নতিৰ হকে ভাল কৰ্ম কৰাৰ ইচ্ছা জন্মে।

অসমীয়া সাহিত্য সংস্কৃতিৰ উন্নতিৰ হকে যি কেইজন বৰেণ্য ব্যক্তিয়ে অৱদান ৰাখি থৈ গ'ল, সেইসকলৰ ভিতৰত বিষ্ণুৰাভাৰ নাম সোণালী আখৰে চিৰদিনৰ বাবে প্ৰতিজন অসমীয়াৰ- হৃদয়ত চিৰস্মৰণীয় হৈ ৰ'ব। কিয়নো তেওঁ- আছিল অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰাণকৰ্তাস্বৰূপ তথা অসমীয়া সংস্কৃতিৰ পূজাৰী।

আমি কেৱল ৰাভা দিৱস পাতিলেই নহ'ব বিষ্ণুৰাভাক জীয়াই ৰাখিবলৈ হ'লে তেওঁৰ সৃষ্টিৰাজি জীয়াই ৰাখিব লাগিব। তেওঁৰ সাহিত্য আৰু সৃষ্টিৰাজি বহলভাৱে প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থাও হাতত ল'ব লাগিব। তেতিয়াহে ৰাভাদেৱৰ সকলো কলা-কৃষ্টি আমাৰ মাজত জীয়াই থাকিব বুলি আশা কৰিব পৰা যায়।

শ্ৰীমতী পূৰ্ণিমা বুঢ়াগোহাঁই
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ
(বনৰাজ হাইচ্ছ )

# ৰাভাৰ আভা

অসমীয়া সাহিত্য সংস্কৃতিৰ উন্নতিৰ হকে যি কেইজন বৰেণ্য ব্যক্তিয়ে তেওঁলোকৰ আহোপুৰুষাৰ্থেৰে অৱদান ৰাখি থৈ গ'ল, সেইসকলৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ নাম সোণালী আখৰেৰে চিৰদিনৰ বাবে প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰস্মৰণীয় হৈ ৰব। কিয়নো তেওঁ আছিল অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰাণকৰ্তা স্বৰূপ আৰু অসমীয়া সংস্কৃতিৰ পূজাৰী।

এইজনা মহান মনীষীৰ জন্ম হৈছিল ১৯০৯ চনৰ ৩১ জানুৱাৰীত বৰ্তমান বাংলাদেশৰ ঢাকাত। সৰুৰে পৰাই তেওঁ আছিল প্ৰতিভা সম্পন্ন। ১৯১৭ চনত ঢেকা নগৰীত এমন "উৰ্দ্দু" নাটকত প্ৰথম সৰু দহ বছৰীয়া ৰাজকোঁৱৰৰ ভাৱত অভিনয় কৰি অভিনয় জগতৰ পাতনি মেলাৰ লগতে সামাজিক জীৱন যাত্ৰা আৰম্ভ কৰিছিল। এই সামাজিক জীৱন আৰম্ভ হোৱাৰ পিছত ৰাভা কোনোদিনে মমকিৰৰ লগা হোৱা নাছিল। তেওঁৰ নিজৰ জীৱনটো সমাজৰ প্ৰতিটো কামতেই উৎসৰ্গা কৰিছিল সাহিত্য সংস্কৃতিৰ মাজেৰে তেওঁ কবিতা, গল্প, উপন্যাস ৰচনা কৰাৰ উপৰিও সংগীত আৰু কলাৰ সাধক আছিল।

অসমীয়া সংগীত জগতলৈ বিষ্ণুৰাভাৰ অৱদান অসমবাসী ৰাইজে কেতিয়াও পাহৰিব নোৱাৰিব কিয়নো তেওঁৰ প্ৰতিটো গীততে প্ৰাণ পাই উঠিছিল অসমীয়া সমাজৰ সামাজিক ভাৱধাৰা জাতীয় চেতনাবোধ, তেওঁৰ কিছুমান গীতত অসমৰ প্ৰাকৃতিক পৰিৱেশো

ঘূৰি উঠা দেখা গৈছে" "বিলতে হালিছে দুলীয়া পদুমী ফুলনিত ফুলিছে ফুল ...." "টিলাই টিলাই ঘূৰি ফুৰে উলাহেৰে ....," আদি। ইয়াৰ উপৰিও মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে ....", "আজি মন্দিৰৰ দুৱাৰ খোলা ....", "বিশ্বৰ ছন্দে ছন্দে মহানন্দে ....", "পৰজনমৰ শুভলগনত" আদিৰ দৰে কালজয়ী গীত ৰচনা কৰি অসমীয়া সংগীতৰ জগতখনক এখোপ আগুৱাই নিছিল। তেওঁৰ গীত আৰু কবিতাসমূহত সেই সময়ৰ স্বাধীনতা আন্দোলনৰ বিপ্লবী ভাৱধাৰা জিলিকি উঠিছিল। স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত গীতসমূহে অসমীয়া জনসাধাৰণৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলিছিল। এই গীতসমূহৰ ভিতৰত "অসমীয়া ডেকাদল ....", "আই মোৰ ভাৰতী জননী ....", আদি উল্লেখযোগ্য। ইয়াৰ উপৰিও স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত "আমি বিপ্লৱী পথৰে যাত্ৰী" কবিতাটিত বিপ্লৱৰ ভাৱধাৰা প্ৰকাশমান। স্বাধীনতা আন্দোলনৰ যতাই ছাটিয়ে বিষ্ণু ৰাভাকো কোবাইছিল সেয়ে তেওঁৰ কালময় কাপৰ পৰা নিগৰি উলাইছিল বিপ্লৱী গান আৰু বিপ্লৱী কবিতা। অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে তেওঁৰ সংগীতসমূহক "ৰাভা সংগীত" হিচাপে ঘোষণা কৰা হৈছে। অসমীয়া সংগীতৰ জগতত "ৰাভা সংগীত" সমূহ হৈছে। অসমীয়া সংগীতৰ জগতত "ৰাভা সংগীত" সমূহ যুগে যুগে কালজয়ী হৈ থাকিব অসমবাসী আশা। কেৱল সংগীত জগতখনতেই নহয় এজন অভিনেতা হিচাপে ৰাভাই তেজপুৰৰ বান ৰংগমঞ্চত নিয়মিয়াকৈ অভিনয় কৰাৰ উপৰিও পিছলৈ 'যাত্ৰা' পাটিত অভিনয় কৰিছিল। তেওঁ 'যাত্ৰা' পাটিতেই সীমাবদ্ধ হৈ নাথাকি অসমীয়া বোলছবি 'এৰা বাটৰ সুৰ,' প্ৰতিধ্বনি আদিত অভিনয় কৰিছিল।

প্ৰথম অসমীয়া কথাছবি 'জয়মতি' নিৰ্মাণত

জ্যোতিপ্ৰসাদ আগৰৱালাক বিভিন্ন ক্ষেত্ৰত সহায় কৰাৰ উপৰিও তেওঁৰ সাংস্কৃতিক বৰঙণিলৈ সন্মান জনাই সেই সময়ৰ হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে' তেওঁক ১৯৩৯ চনত 'কলাগুৰু' উপাধি প্ৰদান কৰিছিল আৰু তেতিয়াৰ পৰাই বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' বিষ্ণুপ্ৰসাদ ৰাভা বুলি জনা হৈছিল।

এইজনা বৰেণ্য পুৰুষে কেৱল অভিনয় বা সংগীত চৰ্চাতে ব্যস্ত থকা নাছিল। তেওঁ গল্প, উপন্যাস আৰু অসমীয়া সমাজ সংস্কৃতিৰ বিষয়ক প্ৰবন্ধ পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁ মিচিং কনেং নামৰ এখন উপন্যাস ৰচনাৰ কৰাৰ উপৰিও 'সোণপাহী', মাহীৰ ঘাৰ; কুৰি বছৰ জেইল', জাল কেছ', হিয়াৰ পুং', ঘুংকা (বড়ো ভাষাত ৰচিত) কেইবাটাও গল্প, গেজনি বেজনি' নামৰ নাটক, 'অসমীয়া কৃষ্টিৰ চমু আভাস, অতীত অসম,' মুক্তি দেউল' আদিৰ দৰে প্ৰবন্ধ লিখি অসমীয়া সাহিত্যৰ জগত মন জিলিকাই থৈ গৈছে।

জীৱনৰ শেষৰ ফালে ৰাভাদেৱে তেওঁৰ মৃত্যুৰ কথা অনুভৱ কৰিয়েই হয়তো লিখিছিল 'এয়ে মোৰ শেষ গান, মোৰ জীৱন নাটৰ শেষ ৰাগিনী, কল্যাণ সৰস্ব .... সেইয়াই যেন শেষ গান আছিল তেওঁৰ বাবে। পাকস্থলীত হোৱা কৰ্কট ৰোগত ভুগি এইজনা অসমীয়া সংস্কৃতিৰ সাধক অসমীয়া সংস্কৃতিৰ পূজাৰী ৰাভাদেৱে ১৯৬৯ চনৰ ২০ জুন তাৰিখে ৰাতি 2.25 বজাত তেজপুৰত মৃত্যুক সাৱটি লব লগা হয়। তেওঁৰ মৃত্যুদিনটোৰ প্ৰতি সন্মান জনাই অসমবাসী আইজে 'ৰাভা দিৱস' হিচাপে' পালন কৰি আহিছে আৰু ভৱিষ্যতেও কৰি লৈ থাকিব। আমি ভাবো কেৱল 'ৰাভা দিৱস' পাতিয়েই নহ'ব বিষ্ণু ৰাভাক জীয়াই ৰাখিবলৈ হলে তেওঁৰ সৃষ্টিৰাজি জীয়াই ৰাখিব লাগিব তেওঁৰ সৃষ্টিৰাজি বহলভাৱে প্ৰচাৰ

আৰু প্ৰসাৰৰ ব্যৱস্থাও হাতত ল'ব লাগিব তেতিয়া হয়তো ৰাভাদেৰৰ সকলো কলা কৃষ্টি আমাৰ মাজত জীয়াই থাকিব।

শ্ৰীমতী দীপশিখা শইকীয়া
চতুৰ্থ ষাণ্মাসিক, অসমীয়া
বিভাগ।
(ৰসৰাজ হাউচ্)

# বিশ্বৰ কুৎসিত মহিলাগৰাকী

কোনোবাই যদি আমাৰ ৰূপৰ প্ৰশংসা কৰে অজানিতে আমাৰ মনটো উৎফুল্লিত হৈ পৰে আৰু আমাৰ শাৰীৰিক দোষ বোৰৰ বিষয়ে যদি কোনোবাই আমাক ইতিকিং কৰে আমাৰ নিশ্চয় মনটো বেয়া লাগিব। কাৰণ কোনোৱে নিজৰ বিষয়ে বেয়াকৈ মন্তব্য পোৱাটো নিবিচাৰে। সেইয়া যি কি নহওক বৰ্তমানৰ যুগত আমাৰ সমাজত এনেকোৱা এগৰাকী নাৰী আছে যিগৰাকী নাৰীক আমাৰ সভ্য সমাজে "বিশ্বৰ কুৎসিত নাৰী" হিচাপে স্বীকৃতি দিছে। সাধাৰণতে Google ত যদি আমি "World's Uglist Woman" লিখি ছাৰ্চ কৰোঁ শীৰ্ষত এটা নাম দেখা পাওঁ ± Lizzie Velesquer.

এই গৰাকী নাৰীৰ ভয়ংকৰ কংকালসাৰ শৰীৰ আৰু মুখাৱয়ৱৰ প্ৰতি আপোনালোক হয়তু আকৰ্ষিত নহব। কিন্তু সমাজৰ ইতিকিং বোৰক তুচ্ছ কৰি পৃথিৱীত কিদৰে নিজৰ স্থান লভিলে সেইয়া জানিলে আপোনালোক তাইৰ প্ৰতি পূৰ্বতে থকা মনোভাৱ ত্যাগ কৰি সন্মানৰ দৃষ্টিৰে চাবলৈ মন যাব। এইয়াই লিজীৰ মহত্ত্ব।

লিজী পৃথিৱীৰ সেই প্ৰকাৰৰ ব্যক্তিৰ অন্তৰ্গত যি জেনেটিক বিকাৰৰ বাবে অসামান্য হৈ জন্ম হয়। লিজী জন্মৰে পৰা এটা চকুৰে নেদেখে। তাই জীয়াই থাকিবৰ বাবে প্ৰতি পোন্ধৰ মিনিটৰ মূৰে মূৰে শৰীৰত খাদ্যৰ প্ৰয়োজন। লিজীৰ ওজন হৈ পাওঁতে অৰ্থাৎ 28·12 kg তকৈ কেতিয়াও বেছি বেছি হোৱা নাই।

হাইস্কুলত পঢ়ি থাকোঁতে প্ৰথমবাৰৰ বাবে সামাজিক মাধ্যমত তাইৰ এখনি ফটো আপলোড কৰিছিল। কিছু দিনৰ পাছত youtubeত তাই সেইখনি Photo ৰ ওপৰত বনোৱা এটা video দেখা পাওঁ। য'ত শিৰোনাম আছিল "World's Uglist girl". বহুতে তাইৰ ওপৰত নকৰ লগীয়া মন্তব্য কৰি মন্তব্যৰ বাকচ উপচাই পেলাইছিল। কোনোৱে কৈছিল, " তাই আৰু

প্ৰেতাত্মাৰ মাজত কোনো বৈসাদৃশ্যই নাই। আনকি কোনোৱে মন্তব্য কৰিছিল " তুমি কিয় আত্মহত্যা নকৰা ? এই চেহেৰাৰে কৈ ?" মাক-দেউতাকে Yautuber গৰাকীক বহুবাৰ Delete কৰিব অনুৰোধ কৰিলে কিন্তু নিতৌ 1 miliom ৰ Viewer পোৱাৰ বাবে অৱমান্তি হ'ল তেতিয়াৰে পৰা Lizzie velesquer বিশ্বৰ আগলী গাৰ্ল হিচাপে বিখ্যাত হৈ পৰিল।

কিন্তু ইমানবোৰ মানসিক অত্যাচাৰ হোৱাৰ পাছতো তাইক কেতিয়াও নিৰাশা বা ভংগ কৰা দেখা নাছিল। লিজীয়ে তেতিয়াই সংকল্প লৈছিল যে তাই অসাধাৰণ সুবক্তা হৈ এই কুশ্ৰী বিশেষণ আঁতৰাই ল'ব আৰু তাই ৰূপক লৈ ইতিকিং কৰা সেই ব্যক্তিৰ সন্মুখত কৈ তাই কথা পাতিম বুলি প্ৰতিজ্ঞা কৰে। বৰ্তমান তাইৰ কুশ্ৰী বিশেষণবোৰ বহু TV প্ৰোগ্ৰামত তাইক আমন্ত্ৰণ কৰে-- প্ৰত্যেকতে লীজীয়ে যি সুস্থ-বাক্য সৰলভাৱে প্ৰয়োগ কৰে তাইৰ প্ৰতি দাঁত নিকটাই থকা প্ৰত্যেক গৰাকীৰ মুখ চিতাতে বন্ধ হৈ পৰে।

বৰ্তমান ২৭ বছৰ বয়সীয়া এই আগলী গাৰ্ল অসাধাৰণ সুবক্তা হিচাপে খ্যাত, তেওঁ যোৱা আঠটা বছৰত ২০০টাৰো অধিক ৱৰ্কচপত তাইৰ বক্তৃতা প্ৰকাশ কৰে আৰু প্ৰকাশিত হৈছে তাই লিখা কিতাপ "Lizzie Beautifull" আৰু "Be Beautifull; be you."

আমি সকলোৱে শাৰীৰিক হীনমন্যতাত ভুগো। মোৰ গাৰ বৰণ ক'লা, মোৰ চুলিখিনিও ভাল নহয়, মই বৰ ক্ষীণ বা চাপৰ ইত্যাদি ইত্যাদি। এতিয়া এটা প্ৰশ্ন কৰোঁ- ফ্ৰান্সৰ চেভ্ৰেত International Bureau of Weights and measure' ত প্লেটিনাম ইউৰেনিয়াম, সংকৰ ধাতুৰে তৈয়াৰ কৰা এটা চিলিণ্ডাৰ ৰখা হৈছে যাৰ ওজন 1 Kg বা আদৰ্শ ওজন বুলি কোৱা হয়। এই ওজনৰ লগত তুলনা কৰি পৃথিৱীৰ সকলো বস্তুৰ ওজন জোখা হয়। প্ৰশ্ন হ'ল = সৌন্দৰ্য জোখাৰ বাবে কোনো আদৰ্শ নাৰী বা পুৰুষক কোনো মিউজিয়ামত সংৰক্ষণ কৰা আছে নেকি? নিশ্চয় নাই তেনেহ'লে কাৰ সৈতে তুলনা কৰি মানুহৰ সৌন্দৰ্য অনুমান কৰা হয়।

সঁচা কথাটো হ'ল - পৃথিৱীত প্ৰতিজন মানুহ এজনে আনজনতকৈ পৃথক প্ৰকৃতিৰ আৰু নিজস্ব সৌন্দৰ্য লৈয়েই পৃথিৱীত আছে। সেয়ে এজনৰ সৌন্দৰ্য কেতিয়াও অইনজনৰ সৌন্দৰ্যৰ সৈতে নিমিলে। এই পৃথিৱীত ভালো কুশ্ৰীৰ শব্দটোৰ দৰে ভাল নলগা শব্দৰ প্ৰয়োজন আছে ?

শ্ৰীমতী ৰাজশ্ৰী সোণোৱাল।
দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)

# চাহেবপুৰাৰ বৰষুণৰ অনুভৱ

কেতিয়াবা ট্ৰেইনেৰে দীঘলীয়া যাত্ৰা কৰোঁতে যদি টিপ-টিপকৈ এজাক বৰষুণ দি থাকে তেতিয়া তাৰ পৰিৱেশ তেনেই বৰ সুকীয়া আৰু যাত্ৰাও আমোদজনক হয়।

তেনে এক যাত্ৰাৰে আৰম্ভ হোৱা আৰু কেঁচা মাটিৰ গোন্ধৰ সকলোৰে প্ৰিয় এখন কিতাপ জনপ্ৰিয় লেখিকা অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ 'চাহেব পুৰাৰ বৰষুণ।'

'চাহেবপুৰা' বিহাৰৰ এখন ঠাইৰ নাম। এই চাহেবপুৰা নামৰ ঠাই দশৰথে আৰম্ভ হয় কিতাপখনৰ মূল ভেঁটি। এহাল প্ৰেমিক-প্ৰেমিকা নাম প্ৰান্তিক আৰু বৰ্ষা, যাৰ খোল্ল দিনৰ পাছত বিয়া। প্ৰান্তিক বিদেশত থাকে আৰু বৰ্ষা পঢ়ি আছিল দিল্লীত। দুয়োৰে মাজত প্ৰেমৰ আদান-প্ৰদান হ'ল, প্ৰান্তিকে চাকৰি পালে আৰু দুয়োৰে মাক দেউতাকে সিহঁতৰ বিয়া ঠিক কৰিলে, সেয়ে দুয়ো ঘৰলৈ বুলি একেলগে ট্ৰেইনেৰে যাত্ৰা আৰম্ভ কৰিলে। ইয়াৰ পৰাই আৰম্ভ হৈছে উপন্যাসখনৰ কাহিনী।

ট্ৰেইনেৰে আহি থাকোতে বৰ্ষাই প্ৰান্তিকৰ ব্যৱহাৰত বৰ সন্তুষ্ট হোৱা নাছিল, তাই প্ৰান্তিকৰ আচল ৰূপ লাহে-লাহে চিনি পাব ধৰিলে। আহি থাকোতে তেওঁলোকৰ ট্ৰেইনখনৰ এখন বাছৰ সৈতে হোৱা সংঘৰ্ষৰ ফলত

ৰেল লাইন বিচ্ছিন্ন হৈছিল । তাৰ বাবে সাত-আঠ ঘন্টা তেওঁলোক ৰব লগা হৈছিল । এই চাহেবপুৰাৰ ৰেল দুৰ্ঘটনাতে বৰ্ষাৰ চিনাকি হল শেখৰ হুচেইন নামৰ ব্যক্তি এজনৰ লগত । যাৰ সেই চাহেবপুৰাৰ ওচৰতে এটা এন.জি.অ. আছিল । বৰ্ষা আৰু হুচেইনৰ চিনাকিৰ ঘটনাটোৰ পৰাই বৰ্ষাই প্ৰান্তিকৰ প্ৰকৃত পৰিচয় পালে । বৰ্ষাই শেখৰ হুচেইনক যেতিয়া প্ৰান্তিকৰ লগত চিনাকি কৰাই দিছিল তেতিয়া প্ৰান্তিকে বৰ্ষাক কৰ্থনা কৰিছিল, যাৰ বাবে বৰ্ষাই প্ৰান্তিকৰ সৈতে থকা সম্পৰ্ক নাকচ কৰিছিল আৰু শেখৰ হুচেইনৰ এন.জি.অ.ত কাম কৰিবৰ বাবে চাহেবপুৰাতে ৰৈ থাকিল ।

উপন্যাসখন ৰচনা হৈছে প্ৰধানকৈ নাৰী জীৱনৰ ওপৰত ভিত্তি কৰি । আচলতে আমাৰ সমাজত যেতিয়া এগৰাকী ছোৱালীয়ে নিজে বিয়াৰ প্ৰস্তাৱ নাকচ কৰে তেতিয়া তাইক সমাজে বেয়া চকুৰে চায় । ঠিক তেনেদৰে বৰ্ষাকো সমাজ আৰু মাক-দেউতাকে গ্ৰহণ কৰিব খোজা নাছিল । যদিও মাক-দেউতাকে তাইক গ্ৰহণ কৰিব খোজা নাছিল তথাপিও বৰ্ষাই নিজৰ সিদ্ধান্তত অটল আছিল । তাই নিজকে চিনি পাব পাৰিছিল আৰু স্বাধীন ভাৱে তাই হুচেইনৰ এন.জি.অ.ত কাম কৰিছিল । বৰ্ষাই অতীতৰ কথাবোৰ পাহৰি, বৰ্তমানটো সুন্দৰ কৰি তুলিব পাৰিছিল ।

উপন্যাস সমূহৰ জৰিয়তে সেই সময়ত সমাজৰ দৰিদ্ৰতাৰ কথা আৰু মাক-দেউতাকে অৰ্থৰ লোভত কন্যা সন্তানক কিমান তললৈ ঠেলি দিব পাৰে তাৰ আভাস পোৱা যায়। উপন্যাসসমূহত এগৰাকী নাৰীয়ে যে জীৱনটো পুৰুষৰ পদতলত নাৰাখি নিজ ইচ্ছামতেও যে জীয়াব পাৰে আৰু কেৱল টকাৰে যে সকলো কিনিব নোৱাৰি তাৰ ধাৰণা ধৰ্মকামত প্ৰকাশ পাইছে।

আচলতে আমি অতীতৰ বেয়া সময়বোৰক পাহৰি বৰ্তমানৰ কাম কৰি যাব লাগে, তেতিয়া আমাৰ ভৱিষ্যৎ সুন্দৰ হয়।

শ্ৰীপূৰ্বজ্যোতি চমুৱা
দ্বিতীয় ষাণ্মাসিক, অসমীয়া
বিভাগ।
(হুসৰাজ হাউছ)

# দুচকুত এটি সজল সপোন

নিধুৱে তাৰ কলেজৰ সন্মুখত প্ৰথম চাহৰ দোকানখন বন্ধ কৰি ঘৰলৈ বুলি খোজ লৈছে । সন্ধিয়া পুৱাতে আহা । যদিওবা আজিও দোকান খুলিবলৈ আহিব, সেয়েহে সি আজিৰ দোকান শেষবাৰলৈকে বন্ধ কৰিছে...... কিয়নো আৰু সি নিজৰ দোকান খুলি ৰাখিবও নোৱাৰে।... নিজৰ তাৰ চাহৰ দোকানৰ কাম থাকে । নিধুৱে এইবাৰ অসমীয়া বিভাগৰ 6th চেমিষ্টাৰৰ ছাত্ৰ । 6 মাহ পূৰ্বে দেউতাৰ মৃত্যুৰ পিছত, কলেজৰ সন্মুখত দেউতাকে খোলা প্ৰথম চাহৰ দোকানখন সি নিজে চলাব লগীয়া হৈছে ।

ঘৰলৈ সি আহোঁতে তাৰ মুখখন কলা পৰা হৈছে । নিজৰ দোকানত লোৱা টকা কেইটাৰে সি ঘৰত প্ৰথম খোজতিয়া মাকৰ ঔষধ খোৱাৰ কৰিব নে,... নে নিজৰ আহি প্ৰথম পৰীক্ষাৰ ফৰ্ম ফিলাপ কৰিব ! কিয়নো তাৰ বিজ্ঞালৈ এবাৰো খোৱাৰ খোৱা নাই। আজিলৈকে অসমীয়া বিভাগৰ ছাত্ৰ এজনো একেই বিপদ পৰিছে । সি যি কেইটা টকা পাই, সেইকেইটা টকাৰে সি মাকৰ ঔষধ কিনিব নে ফৰ্ম ফিলাপ কৰিব নে বিজ্ঞানৰ খোৱাৰ কৰিব....। যি হওঁক সৰু-সুৰা সমস্যা কেইটা বাদ বুলি মাকৰ ঔষধ কেইটা-টাকৈ যথাসাধ্য কৰা হৈছে সি ঘৰলৈ যাব । ঘৰত মাকে আজি খোৱা ভাত কেইটা খাই ভৰাই সি নিজৰ পঢ়া-টেবুলত বহিলা ।

নিধুৰে অন্য অসমাপ্ত লাগিব আচৰিত লাগিব...
সিনতো সেইখন আৰু কেতিয়াও বৰ্তি । এইদৰেই
নিধুৰে দুখুৰত আঁকিব যোগা অনুভৱৰ ছবি-
খিনিত কবিতাৰ ৰূপ দিব কাগজে ।

সিদিনাৰ ঘটনাৰ পাছৰ কথা । নিধুৰৰ
পৰীক্ষাৰ ফলাফল ওলাবলৈ মাত্ৰ কেইটা-
মান দিন । আৰু কেইটামান দিনৰ পাছতেই
নিধুৰ স্নাতকোত্তৰ হ'ব । ভাল ফলাফল হ'ব
বুলি তাৰ নিজৰ বিশ্বাস আছে, তথাপিও
তাৰ চিন্তা থাকেই যদি কেইটামান বিষয়
বেয়া হ'ব হয়... আকৌ সি নতুন ভৱিষ্য
লাগিব... ইমানবোৰ কথা কৰ লগা উনিশুৱাৰ।
এনেতে তাৰ বিছনাৰ ম'বাইল ফোনটো বাজি
উঠিল.....

"মোৰ মিনতি শুনা শুধু যদি".....

সি ৰিচিভ কৰিব 'হেল্ল' বুলি কৈছিল হে
মাত্ৰ, উফালৰ পৰা বিভাগৰ হেড কৃষ্ণ কমল
ছাৰে 'অভিনন্দন নিধুৰ' বুলি চিঞৰি উঠিছিল
লগতে কৈছিল- "তুমি আমাৰ university ৰ
ভিতৰতে প্ৰথম স্থান লাভ কৰিলা । তুমি আমাৰ
মান ৰাখিলা নিধুৰ ।" সি এনেকৈ উত্তৰবিহ
হোৱা হ'ল । নিজৰ মা দেউতাৰ কথা নিকুমুতি
কৰিলে বিভাগীয় অধ্যাপকে কৈছে আছে ।
মাই অনুভৱ নহয় । বিশ্বাসটো লাই সি
ইমান সুখী হৈছে যিমান তাৰ আগতে কেতিয়া
চিন্তাই হোৱা নাই- মুনি গাইছে বিষয়লৈ
সি অভিজ্ঞ উচ্চশিক্ষা ল'বৰ বাবে ইউনিভাৰ্চিটি
যাব লাগিব । কিন্তু ইউনিভাৰ্চিটিত পঢ়িবলৈ
যাওঁতে কিমান লাগে স'তে লগা ইমানবোৰ কথা।

আমা দুয়ো ষ্টেচনলৈ খোজ কাঢ়ি দিলো। যাব
নিধুৰ ইয়াত অসুবিধা থাকে কাৰ লগত কলিব?
আৰু সেয়েহে মই ইউনিভাৰ্চিটিত পঢ়িবলৈ ইচ্ছা
দিলো । ইয়াত অসুবিধা আছে অন্য অন্য
বেচকাম নি খোদ-বেজুলে চাটি আছে ।
ইউনিভাৰ্চিটি পঢ়ি থাকোঁতেই নিধুৱে NET
ক্লিয়াৰ কৰি JRF পালে । অৱশেষে
নিধুৱে নিজৰ সপোনটো দিলে আৰবাৰি
দিলে । পাঁচ বছৰৰ পাছত নিধুৱা ও নিধুৰ ফেমিলি
বেগ হৈ পাঁৰুলো ধৰি আহিল । ঘৰলৈ অহাৰ
ইউনিভাৰ্চিটিৰ পাছতে নিযুক্তি লৈ এখন কলিং লেটাৰ
আহিল । তাৰ পাছতে দেউতা মাৰক কলে-
...."মা মই প্ৰফেচাৰ হ'লো । সোমবাৰে
মই Join কৰিব লাগে....।"

শ্ৰীহেনৰি ফুকন ।
ষষ্ঠ ষাণ্মাসিক, অসমীয়া
বিভাগ ।
(ৰূপৰাজ হাউচ্)

# তোমাৰ আগমন

আহিবা নেকি এদিন
যান্ত্ৰিকতাৰ পৃথিৱীৰ ব্যস্ততাখিনিক
একাষৰীয়াকৈ থৈ,
তোমাৰ মনৰ কৃত্ৰিমতাখিনি আঁতৰাই
সেউজীয়া পথাৰৰ মাজত থকা
আজাৰ জোপাৰ তলত বহিবালৈ ।
আন্ধিয়া নদীৰ পাৰত একান্তেক সময় দিবলৈ,
পাৰৰ কাঁহুৱাই, চৰাই বোৰে
জনাব সশ্ৰদ্ধ প্ৰণাম তোমাক ।
নাথাকিব তোমাৰ মনেও
কোনো কৃত্ৰিমতাৰ ছাঁয়া ।
নদীৰ নিৰ্মলতা, সমীৰৰ পৰশে
আনিব তোমাৰ মনলৈ সজীৱতা
মোৰ হৃদয়ৰ চহৰতো ফুলি উঠিব
মৰহি যোৱা ফুলৰ কলিটো ।
প্ৰাণ পাই উঠিব কৃষ্ণচূড়াজোপাই
ৰঙা ৰেণুৰে আনিব আবিৰ
মুক্ত মনে উৰিব নীলাকাশত
এহাল পক্ষী ।
তোমাৰ কণ্ঠস্বৰৰে মন বননিত
ফুলি উঠিব কাঁইটৰ পৰিধি ভেদি
এপাহি তেজাল ৰঙা গোলাপ ।

শ্ৰীমতী তৃষ্ণা বৰুৱা ।
শিক্ষা বিভাগ, দ্বিতীয়
ষাণ্মাসিক ।
(সুধাকণ্ঠ হাউচ)

# অনুভৱ

অনুভৱ হয় বেমেজিয়া !
যেতিয়াই অনুভৱ কৰিব খুজিবা
এইখিনি আজি মোৰ মকা হ'লে
মানৱে অনুভৱ নকৰিব কিয় ?

এই কংক্ৰীটৰ মহানগৰীত
যাৰ টকা নাই তাক মানুহ
বুলি ভাৱে জানো কোনোবাই ?

তুমি হ'তেই নামাকা লাগে
ফুটপাথত বা ডাষ্টবিনৰ কাষত
তোমাক এই দানৱৰূপী মানুহবিলাকে
ঘূৰিয়ে নেচাই বেঁকাকৈ এবাৰ,
এইসমান মহানগৰীত তুমি পাৰিবা জানো
প্ৰকৃত নাৰী হৈ জনম লব---
নোৱাৰা, কিয়নো? এইসমান মহানগৰীতে চলে
ধৰ্ষণৰ মিছিলা হত্যাকাণ্ড [illegible]

যেতিয়াই তুমি এইসমান মহানগৰীত জনম লবা
তেতিয়াই অনুভৱ কৰিবা কিয় জনম ললো
এই কংক্ৰীটৰ মহানগৰীমনত ।

শ্ৰীকৃষ্ণ বৰগোঁহাই
দ্বিতীয় ষাণ্মাসিক , অসমীয়া
বিভাগ । (ৰসৰাজ হাউচ)

# জীৱনৰ অৰ্থ বিচাৰি

মই মৃত্যুক চিঞৰি ক'লো,
মই জীৱনৰ ভাষা শুনা পাইছোঁ
তোমাৰ আগমনে মোৰ সপোনৰ অৰ্ঘ
মোৰ পৰা কাঢ়ি নিব - - - ।

জীৱনে হঠাৎ চিঞৰি উঠিল
তেন্তে অপেক্ষা কাৰ ?
উঠা আৰু লাগি থোৱা,
সপোনৰ অৰ্ঘৰ নেতে ।
মৃত্যুক মই বুজাই দিম
তুমি জীৱনৰ উৎস
মৃত্যু তোমাৰ অংগহে আঁথো ।

শ্ৰীমতী হিমাশ্ৰী ভুঞা ।
চতুৰ্থ ষান্মাসিক
(ৰসায়ন বিজ্ঞান বিভাগ)
ৰূপকোঁৱৰ হাইচেহ ।

# ভালপোৱাৰ অনুভূতি

মোৰ হৃদয়ত তোমাৰ ঠিকনা বিচাৰি
সদায় ঘূৰাঘূৰি যাওঁ,
তুমি আছা নাই মোৰ হৃদয়ত
যদিও আছা হৃদয়ৰ কোনোবা এচুকত ।
ক'ত মই দেখোন বিচাৰি নাপাওঁ
তোমাৰ ঠিকনা বিচাৰিবলৈ
মই উভতি যাব লাগে অতীতলৈ,
অতীতত তোমাৰ ইমানেই স্মৃতি আছে যে -
তাক বিচাৰি ফুঁৰোতেই
মোৰ প্ৰতি নিশা শেষ হয় ।
এবাৰো চকুৰ পতা জাঁপ নোমোৱাকৈ
কেতিয়াবা ভাব হয় -
তোমাৰ ঠিকনা বিচাৰি পাম নে
মোৰ হৃদয়ত ?

শ্ৰী দেৱজিত দিহিঙীয়া ।
চতুৰ্থ ষাণ্মাসিক, অসমীয়া
বিভাগ । (ৰসৰাজ হাউচ)

# চকুলো

ফাগুনৰ বতাহজাকত আজি আম-শালধীৰ গোন্ধ পেঁৰি ঘূৰিছে। মৃণাক্ষীয়ে ঠিকেই ধৰি লৈছে এই চিনাকি গোন্ধটো মৃণালহঁতৰ ঘৰৰ চৌহদৰ পৰাই আহি তাইৰ কোঠালীত অলমলাই আছে। কেৱল সিমানেই নহয় তোৰোণৰ বাবে ওলোৱা দলটোৰ হাঁহি স্ফূৰ্তিৰ ধ্বনি অপইকৈ মৃণাক্ষীয়ে শুনা পাইছে। আয়তীয়ে মৃণালক নোৱাওঁতে ধোৱাওঁতে দিয়া উৰুলিয়ে মৃণাক্ষীৰ হৃদয়ত অদ্ভুত জোকাৰণি তুলিছে। পূৰ্বতে কেতিয়াও অনুভৱ নকৰা কিছুমান দুখবেদনাই মৃণাক্ষীক কোঙা কৰি পেলাইছে। শৈশৱৰ লগৰীয়া, কৈশোৰৰ বন্ধু আৰু যৌৱনৰ একান্ত প্ৰেমিক মৃণালৰ আজি বিয়া। মৃণাক্ষীয়ে গোপনে গোপনে ভালপোৱা মৃণাল আজি আনৰ হৈ যাব। বন্ধুত্বৰ বান্ধোন ছিঙি যোৱাৰ ভয়ত তাই হয়তো কাকোৱে আগত আনকি মৃণালকো কোনো দিন প্ৰকাশ নকৰিলে এই অকৃত্ৰিম ভালপোৱাৰ কথা। অবুজ বেদনাক বুকুত হেঁচা মাৰি ৰাখি বাহিৰত হাঁহি থকা মৃণাক্ষীয়ে চকুলো দুধাৰিক বাধা দিব নোৱাৰিলে। সুমমন ধোৱলৈ লওঁতে মৃণাক্ষীয়ে লক্ষ্য কৰিছে বাটৰ ধূলি উৰুৱাই তোৰোণৰ বাবে সুসজ্জিত গাড়ীকেইখন তাইৰ পদূলি অতিক্ৰম কৰি গৈছে। ক'ৰবাৰ পৰা আহতেই আহি ৰজনী আলিকা চোতালত পৰি পাখি মেলি আছে।

শ্ৰীমতী ৰাশ্মী গোঁসাই।
দ্বিতীয় ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ।
(ৰসৰাজ হাউচ)

# নীৰৱতা

জীৱন যে এক যন্ত্ৰণা
পাখিহীন উৰন্ত মন মগজু,
কিমান আহিব এই দুঃসময়
নোমলীয়া দেহৰ উদন্ত ৰক্তক।

জীৱন ধূলি হৈ উৰিব আকাশত
মনৰ চিৎকাৰ চিঞৰি দুঃসহত,
প্ৰজ্বলিত শেষ শিখাও নুমাব
অন্ধকাৰে গ্ৰাস কৰি লব যাত্ৰা।

জীৱন লালসাত যৌৱন মেলানি
অন্তৰ লাগে অসময়ৰ শোকত,
স্মৃতি সেঁপোলাত দুখৰ জোঁৱৰণ
আমোঁ হাঁহি আৰু কান্দোনৰ বণাহুগন।

শ্ৰীবেদান্ত গগৈ
চতুৰ্থ ষাণ্মাসিক, অসমীয়া
বিভাগ। (ৰসৰাজ হাউচ)

# স্বপ্ন

ডেগৰুৱা পক্ষীৰ দৰে
স্তব্ধ মনটোত অৱসৰ কোলাহল,
সীমাহীন বেদনাৰ অৱসাদত
ম্লান হয় হেঁপাহৰ হেঙুলী।
প্ৰণয়ৰ আকাশৰ মেঘেকা ওৰৰত
উটি ফুৰা ঘন-ঘন টোপালত
হেৰাই যাওঁ স্বপ্নৰ সমাধিত।

শ্ৰীমতী গৰিমা বুঢ়াগোঁহাঁই
চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ।
( ৰূপকোঁৱৰ হাইচ্ছ )

# শীতৰ ঠিকনা বিচাৰি

শীতৰ আম্নিয়া তোমাক চুই চাব
খোজোঁ,
কিন্তু মনে কয় তুমি বা কি বুলি
ভাবা !
নিসংগতাই আৱৰি ৰখা
মনটোক বন্ধুবাৰ বুজাবলৈ
খোজোঁ,
যে তুমি মোক ভাল পোৱা ।
আহিবানে এদিন শীতৰ নিশা
হাতত হাত থৈ মোক ভাল পাওঁ
বুলি কবলৈ,
দিবানে তোমাৰ বুকুৰ সেই শব্দ
শুনিব
যত থাকিব মোৰ কবিতাৰ
গুনগুননি সুৰ
আৰু থাকিব বন্ধু ভাল পোৱাৰ
অনুভূতি ।

শ্ৰী শচীন্দ্ৰ কোঁচ ।
চতুৰ্থ ষাণ্মাসিক, অসমীয়া
বিভাগ ।
(ৰসৰাজ হাউছ)

# কৌতুক

১) শিক্ষক — এটা সমকোণ বুলিলে কি বুজা ?
ছাত্ৰ — অসমকোণৰ বিপৰীত কোণটোৱে হৈছে 'সমকোণ'।

২) শিক্ষক — লংপেন্‌ এটা একবচন নে বহুবচন?
ছাত্ৰ — লংপেনটৰ ওপৰ টোকোৰা এক বচন আৰু পিছৰ ড্ৰামৰ বহু বচন হ'ব ।

৩) শিক্ষক — ভাস্কৰ, বিয়াত কেলৈ হোমৰ চাৰিও সাত পাক দিয়া হয়? সাতবাৰ ঘূৰাৰ তাৎপৰ্য্য কি ?
ছাত্ৰ — কাৰণ প্ৰত্যেকটো পাকেই ৩৬০ ডিগ্ৰী হয়, ৩৬০ এনে এটা সংখ্যা যাক ১ পৰা ৯ লৈকে কেৱল মাত্ৰ ৭ য়েহে হৰণ কৰিব নোৱাৰি। সেয়ে ৭ বাৰ ঘূৰিলে বিয়াৰ পাছত স্বামী-স্ত্ৰীৰ সম্পৰ্কটো অবিভাজ্য হয় ।

সংগ্ৰহকাৰী
শ্ৰীমতী লক্ষ্মীপ্ৰিয়া দত্ত
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ ।
(ৰসৰাজ হাউচ)

# মহৎ লোকৰ বাণী

১) পৃথিৱীৰ আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ফুল, কিন্তু তাৰ শিপা মাটি আৰু গোবৰতহে থাকে — ডি. এইচ্. লৰেন্স ।

২) নিজে আনন্দিত হ'বৰ বাবে আনক আনন্দ দিব পাৰিব লাগে — মাৰ্ক টোৱেইন ।

৩) অপেক্ষা আৰু আশা - এই শব্দ দুটাতেই মানৱ বুদ্ধিমত্তাৰ আঁকো[illegible] নিহিত হৈ আছে — আলেকজেণ্ডাৰ ডুমা ।

৪) ভাগ্য বুলি বেলেগ এটা বস্তু নাই; মানুহৰ চৰিত্ৰই মানুহৰ নিয়তি — হেৰাক্লিটাছ ।

৫) যাৰ আত্মসন্মান নাই তেওঁৰ নিজস্ব বুলিব একোৱেই নাই — মহাত্মা গান্ধী ।

সংগ্ৰহকাৰী

শ্ৰীমতী হিমাৰাণী বৈশ্য
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ ।
(ৰসৰাজ হাউচ্)




সম্পাদনা সমিতিৰ একাংশ




কিশলয়ৰ বিশেষ সংখ্যাবোৰ